**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-03-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে এখন আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যৰে কাম কৰি আছে আৰু বিভিন্ন ক্ষেত্ৰৰ সংস্কাৰৰ দিশে গৈ আছে।

২। জলজীৱন মিছন আৰু মন্ত্ৰী অশোক সিংহলে এটা বিশেষ সম্প্ৰদায়ক লৈ দিয়া মন্তব্যক লৈ আজি অসম বিধানসভাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

৩। হাইব্ৰিড যুদ্ধ, চাইবাৰ আৰু মহাকাশ ভিত্তিক বাধাৰ দৰে অগতানুগতিক বিপদসমূহে নিৰাপত্তা ব্যৱস্থাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। নতুন দিল্লীত আজি আভ্যন্তৰীণ সুৰক্ষাৰ বাবে উন্নত প্ৰযুক্তি শীৰ্ষক এখন আলোচনা চক্ৰত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এইদৰে কয়।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ মেক্সিকো আৰু কানাডাৰ পৰা আমদানি কৰা সামগ্ৰীত ২৫ শতাংশ শুল্ক ঘোষণা কৰিছে। ***আৰু***

৫। ডুবাইত আজি আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰে এখন আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যৰে কাম কৰি আছে আৰু বিভিন্ন ক্ষেত্ৰৰ সংস্কাৰৰ দিশে গৈ আছে। তেওঁ প্ৰকাশ কৰে যে, চৰকাৰে বিগত ১০ বছৰত প্ৰতিশ্ৰুতি অনুসৰি সংস্কাৰ, বিত্তীয় নিয়মানুৱৰ্তীতা, স্বচ্ছতা আৰু বিস্তাৰিত বিকাশ সাধন কৰিছে। নতুন দিল্লীত অনুষ্ঠিত **বিকাশ, নিৰ্মাণ, ৰপ্তানি আৰু আনৱিক শক্তিৰ কেন্দ্ৰ হিচাপে ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ** শীৰ্ষক এখন ৱেবিনাৰত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে আজি এইদৰে কয়। তেওঁ কয়, যে সংস্কাৰৰ নিশ্চিত প্ৰতিশ্ৰুতিয়ে উদ্যোগ খণ্ডলৈ নতুন আত্মবিশ্বাস আনিছে। দেশৰ অৰ্থনীতিত ক'ভিডৰ প্ৰভাৱ হ্ৰাস কৰিবৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাই ভাৰতক এখন খৰতকীয়া বিকাশশীল অৰ্থনীতি হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে বিশ্বৰ বহু দেশে এতিয়া ভাৰতৰ সৈতে তেওঁলোকৰ অৰ্থনৈতিক সম্বন্ধ শক্তিশালী কৰাত গুৰুত্ব দিছে। অৰ্থনীতিত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া প্ৰতিষ্ঠানসমূহৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এইসমূহ প্ৰতিষ্ঠানে এখন দেশৰ অৰ্থনৈতিক বিকাশত ৰূপান্তৰকৰণৰ ভূমিকা গ্ৰহণ কৰে।

ooooooo

জলজীৱন মিছন আৰু মন্ত্ৰী অশোক সিংহলে এটা বিশেষ সম্প্ৰদায়ক লৈ দিয়া মন্তব্যক লৈ আজি অসম বিধানসভাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই বিষয়ত সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছৰ আব্দুল কালাম ৰছিদ আলম, ৰাইজৰ দলৰ অখিল গগৈ আৰু এ আই ইউ ডি এফৰ আশ্ৰাফুল হকক সদনৰ পৰা বহিষ্কাৰ কৰা হয়। প্ৰশ্নোত্তৰ কালৰ পাছত কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ মন্ত্ৰী

অশোক সিংহলে সদনৰ বাহিৰত এটা বিশেষ জনগোষ্ঠীক লৈ আপত্তিজনক মন্তব্য কৰাক লৈ মন্ত্ৰীগৰাকীৰ বিৰুদ্ধে বিশেষাধিকাৰ ভংগৰ অভিযোগ উত্থাপন কৰে। উপাধ্যক্ষ ড০ নোমল মমিনে এয়া সদনৰ ভিতৰৰ বিষয় নহয় বুলি মন্তব্য কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যায় আৰু ইয়াৰ ফলত সদনৰ কাৰ্যক্ৰমণিকা ২০ মিনিটৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। পাছত সদনৰ কামকাজ পুনৰ আৰম্ভ হোৱাত এ আই ইউ ডি এফৰ বিধায়কসকলে একেটা বিষয়কে লৈ হুলস্থূল কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত দলটোৰ বিধায়কসকলক উপাধ্যক্ষই ১০ মিনিটৰ বাবে সদনৰ পৰা নিলম্বন কৰে।

0000000

হাইব্ৰিড যুদ্ধ, চাইবাৰ আৰু মহাকাশ ভিত্তিক বাধাৰ দৰে অগতানুগতিক বিপদসমূহে নিৰাপত্তা ব্যৱস্থাত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। নতুন দিল্লীত আজি আভ্যন্তৰীণ সুৰক্ষাৰ বাবে উন্নত প্ৰযুক্তি শীৰ্ষক এখন আলোচনা চক্ৰত অংশ লৈ দিয়া ভাষণত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে আভ্যন্তৰীণ আৰু বাহ্যিক সুৰক্ষাৰ মাজত সামঞ্জস্য নোহোৱাৰ বাবে বৰ্তমান সমগ্ৰ বিশ্বতে নিৰাপত্তা পৰিস্থিতি যথেষ্ট কঠিন হৈ পৰিছে। বিদ্ৰোহী সংগঠন, বাওঁপন্থী উগ্ৰবাদ আৰু সন্ত্ৰাসবাদী সমস্যাৰে জৰ্জৰিত অঞ্চলসমূহৰ নিজৰ বহু সমস্যা আছে বুলি উল্লেখ কৰি শ্ৰী সিঙে এনে প্ৰত্যাহ্বানৰ মুখামুখি হ'বলৈ কেতবোৰ বিশেষ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে, নিৰাপত্তা প্ৰতিষ্ঠানসমূহে সহযোগিতামূলকভাৱে কাম কৰাটো নিশ্চিত কৰিব বাবে চৰকাৰে প্ৰচেষ্টা চলাইছে। এই ক্ষেত্ৰত প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ'ৰ অৱদানৰ শলাগ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই সংস্থাটোৱে ভালেসংখ্যক নতুন প্ৰযুক্তিৰ বিকাশ ঘটাইছে। ডি আৰ ডি অ'ই কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী আৰু আন আন নিৰাপত্তা সংস্থাসমূহৰ বাবে বহু প্ৰযুক্তি গঢ়ি তুলিছে বুলিও শ্ৰী সিঙে মত প্ৰকাশ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰিয়াৰ ফেডাৰেল চেন্সেলৰ নিৰ্বাচিত হোৱাৰ বাবে খ্ৰীষ্টিয়ান ষ্ট'কাৰক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে আশা কৰে, যে অনাগত বছৰবোৰত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ সম্বন্ধই নতুন মাত্ৰা পাবলৈ সমৰ্থ হ'ব। প্ৰধানমন্ত্ৰীয়ে কয়, যে দুয়োখন দেশৰ দ্বিপাক্ষিক সহযোগিতাক শিখৰলৈ লৈ যোৱাৰ বাবে তেওঁ আগ্ৰহেৰে বাট চাইছে।

0000000

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি চৰকাৰী কাৰ্যসূচীৰে ব্ৰিটেইন আৰু আয়াৰলেণ্ডলৈ যাত্ৰা কৰিব। ভ্ৰমণৰ সময়ছোৱাত বিদেশ মন্ত্ৰীগৰাকীয়ে দুয়োখন দেশৰ সম্বন্ধক নতুন মাত্ৰা দিয়াৰ উদ্দেশ্যে ব্ৰিটেইনৰ বিদেশ সচিব ডেভিড লেমিৰ লগতে অন্যান্য চৰকাৰী উচ্চ পদস্থ বিষয়াক সাক্ষাৎ কৰিব। ইয়াৰ পাছতে দুদিনীয়া ভ্ৰমণসূচীৰে ড০ জয়শংকৰ আয়াৰলেণ্ডত উপস্থিত হ'ব। তাত তেওঁ দেশখনৰ বিদেশ মন্ত্ৰী ছাইমন হেৰিছ আৰু অন্যান্য বিষয়াবৰ্গৰ সৈতে আলোচনাত মিলিত হ'ব। তাত তেওঁ প্ৰবাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ মেক্সিকো আৰু কানাডাৰ পৰা আমদানি কৰা সামগ্ৰীত ২৫ শতাংশ শুল্ক ঘোষণা কৰিছে। শ্ৰী ট্ৰাম্পে কয়, যে এই আমদানি শুল্কই দেশ দুখনৰ পৰা আমেৰিকালৈ অনা অবৈধ নিচাযুক্ত সামগ্ৰী আৰু দেশ দুখনৰ পৰা আমেৰিকাত প্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰী ৰোধ কৰাতো ভূমিকা ল'ব। কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন টুডো আৰু মক্সিকোৰ

ৰাষ্ট্ৰপতি ক্ল'ডিয়া ছেইনবামে আমেৰিকাৰ পৰা আমদানি কৰা সামগ্ৰীতো আমদানি শুল্ক আৰোপ কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ মিছন ষ্টিয়েৰিং গোটৰ নৱমখন বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত স্বাস্থ্যক্ষেত্ৰৰ উন্নত সা-সুবিধা বৃদ্ধি আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ লক্ষ্য প্ৰাপ্তিৰ বাবে নীতি পৰিকাঠামো, কাৰ্যকৰী কৌশল আৰু বিত্তিয় নীতি নিয়ম সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যাদৱ আৰু অনুপ্ৰিয়া পেটেল আৰু নীতি আয়োগৰ উপ-অধ্যক্ষ সুমন কে বেৰি উপস্থিত থাকে।

০০০০০০০

মহাৰাষ্ট্ৰ চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা সুৰক্ষা ধনঞ্জয় মুণ্ডেই আজি মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। তেওঁ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। সংবাদ মাধ্যমত মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়  যে, তেওঁ শ্ৰী মুণ্ডেৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে আৰু পৰৱৰ্তী কাৰ্যব্যৱস্থাৰ বাবে পদত্যাগ পত্ৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণলৈ প্ৰেৰণ কৰিছে। ৰাজ্যখনৰ বিড জিলাৰ মাছাজোগ গাঁৱৰ মুৰববী সন্তোষ দেশমুখক হত্যাৰ অভিযোগত শ্ৰী মুণ্ডেৰ এজন ঘনিষ্ঠ জড়িত থকাৰ তথ্য স্পষ্ট হোৱাৰ পাছতে মন্ত্ৰীগৰাকীয়ে পদত্যাগৰ সিদ্ধান্ত লয়। বিৰোধী দল আৰু বিজেপিৰ বিধায়ক এজনে মন্ত্ৰীগৰাকীৰ পদত্যাগ দাবী কৰিছিল।

০০০০০০০

নিৰ্বাচন আয়োগে আজিৰে পৰা ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ মুখ্য নিৰ্বাচনী বিষয়াসকলৰ বাবে নতুন দিল্লীত এখন দুদিনীয়া সন্মিলনৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীখনৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় গণতন্ত্ৰ আৰু নিৰ্বাচন পৰিচালনা প্ৰতিষ্ঠানত এই সন্মিলন অনুষ্ঠিত হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰে কাৰ্যভাৰ গ্ৰহণৰ পাছত এয়া হৈছে এনেধৰণৰ প্ৰথমখন সন্মিলন। এই দুদিনীয়া সন্মিলনে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনী বিষয়াবোৰৰ প্ৰত্যেককে বুদ্ধিমত্তা আৰু পাৰস্পৰিক শিকন অভিজ্ঞতা বিনিময়ৰ এখন মঞ্চ দিব। এই সন্মিলনত IT Architecture, ফলপ্ৰসূ যোগাযোগ ব্যৱস্থা, সামাজিক মাধ্যম ব্যৱহাৰৰ প্ৰসাৰ বৃদ্ধিৰ লগতে আধুনিক নিৰ্বাচন ব্যৱস্থাপনাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০০০

বাংলাদেশৰ ঢাকাত গৃহ পৰিক্ৰমা উপদেষ্টা জাহাঙ্গীৰ আলম চৌধুৰীৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰে। সমাজৰ বিভিন্ন ক্ষেত্ৰৰ মহিলাৰে গঠিত এখন মঞ্চই এই প্ৰতিবাদী কাৰ্যসূচীৰ নেতৃত্ব দিয়ে। শেহতীয়াকৈ ঢাকাত দুগৰাকী ছোৱালীক কৰা বৰ্বৰ আক্ৰমণৰ প্ৰতিবাদ জনাই মহিলা মঞ্চই উপদেষ্টা জাহাঙ্গীৰ আলম চৌধুৰীক পদৰ পৰা আঁতৰ কৰোৱাৰ দাবী তুলিছে। উপদেষ্টা চৌধুৰীয়ে ছোৱালী দুজনীৰ ওপৰত হোৱা আক্ৰমণক ন্যায়সংগত বুলি মন্তব্য কৰিছিল।

০০০০০০০

ডুবাইত আজি আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

এতিয়ালৈকে ভাৰতীয় দলৰ স্পীনাৰসকলৰ প্ৰদৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ খেলখনত বলাৰসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। গ্ৰুপ-এত থকা ভাৰতে ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত যোৱা দেওবাৰে নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰি আটাইকেইখন মেচত জয়লাভ কৰাৰ সুবাদত গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰিছে। আনহাতে সুন্দৰ ফৰ্মত থকা জ'ছ ইংলিছ, এলেক্স কেৰী, আডাম জাম্পা আৰু অধিনায়ক ষ্টীভ স্মিথক সাৰথি কৰি অষ্ট্ৰেলিয়াই আজিৰ খেলখনত জয়লাভৰ চেষ্টা চলাব।

দ্বিতীয়খন ছেমিফাইনেলত নিউজিলেণ্ড কাইলৈ লাহোৰত গ্ৰুপ-বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

ooooooo

সমাপ্ত